# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 17-02-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে ভাৰতে বৰ্তমানৰ ৩ লাখ কোটি টকাৰ পৰা ২০৩০ চনৰ ভিতৰত ৯ লাখ কোটি টকা মূল্যৰ বস্ত্ৰ ৰপ্তানী বৃদ্ধিৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে কালি ওমানৰ ৰাজধানী মাস্কাটত অষ্টম ভাৰতীয় সাগৰ সন্মিলনত অংশগ্ৰহণ কৰে।

৩। দিল্লীত বি এছ্ এফৰ উদ্যোগত কাইলৈৰ পৰা বি এছ্ এফ আৰু বি জি বিৰ মাজত ৫৫ সংখ্যক সঞ্চালক পৰ্যায়ৰ সীমা সহযোগিতা সন্মিলন অনুষ্ঠিত হ'ব।

৪। মহিলা প্ৰিমিয়াৰ লীগ প্ৰতিযোগিতাৰ এখন খেলত আজি দিল্লী কেপিটেলছে ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে খেলিব।

*আৰু*

৫। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ বোৰ্ডে অহা ২২ মাৰ্চৰ পৰা ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ প্ৰতিযোগিতা আৰম্ভ হ'ব কালি ঘোষণা কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে ভাৰতে বৰ্তমানৰ ৩ লাখ কোটি টকাৰ পৰা ২০৩০ চনৰ ভিতৰত ৯ লাখ কোটি টকা মূল্যৰ বস্ত্ৰ ৰপ্তানী বৃদ্ধিৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। কালি নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত ভাৰত টেক্স-২০২৫ অনুষ্ঠানত সমবেত লোকসকলক সম্বোধন কৰি শ্ৰীমোদীয়ে কয়, যে বিগত বৰ্ষত ভাৰতৰ বস্ত্ৰ ৰপ্তানী আৰু পোছাকৰ পঞ্জীয়ন ৭ শতাংশ বৃদ্ধি পাইছে। তেওঁ কয়, যে ভাৰত বৰ্তমান বিশ্বৰ ষষ্ঠ বৃহৎ বস্ত্ৰ আৰু পোছাক ৰপ্তানীকাৰী দেশ। তেওঁ কয়, যে ভাৰতে উচ্চ মান সম্পন্ন কাৰ্বন ফাইবাৰ নিৰ্মাণৰ দিশত আগবাঢ়িছে। চৰকাৰে বস্ত্ৰখণ্ডৰ বাবে দক্ষ পুল সৃষ্টিৰ হকেও কাম কৰি আহিছে বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয়, যে ভাৰতৰ সাংস্কৃতিক বৈচিত্ৰ্য দেশৰ বিভিন্ন স্থানত উৎপাদিত বস্ত্ৰত প্ৰতিফলিত হৈছে। তেওঁ কয়, যে ফাৰ্ম, ফাইবাৰ, ফেব্ৰিক, ফেশ্বন আৰু বৈদেশিক দৃষ্টিভংগী বৰ্তমান এটা অভিযানত পৰিণত হৈছে আৰু ই ভাৰতৰ বৃদ্ধিৰ ক্ষেত্ৰসমূহ সম্প্ৰসাৰিত কৰিছে। ভাৰতে পূৰ্বে অন্য দেশৰ পৰামৰ্শ মতে কাপোৰ পিন্ধিছিল যদিও এতিয়া কি কাপোৰ পিন্ধিব সেই দিশত বিশ্বক ভাৰতে পৰামৰ্শ দিব পাৰিব। তেওঁ কয়, যে হস্ততাঁত শিল্পীসকলৰ দক্ষতা বিশ্বৰ মাজলৈ লৈ যোৱাৰ লগতে তেওঁলোকৰ সামৰ্থ আৰু সুযোগো বৃদ্ধি পাব লাগে। বিগত ১০ বছৰত বস্ত্ৰশিল্পৰ প্ৰচাৰৰ বাবে দুহেজাৰ ৪০০ৰো অধিক বৃহৎ বিপণনৰ আয়োজন কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে।

শ্ৰীমোদীয়ে কালি প্ৰদৰ্শনী অঞ্চল ভ্ৰমণ কৰাৰ লগতে প্ৰদৰ্শকসকলৰ সৈতে মত বিনিময় কৰে। ভাৰত টেক্স ২০২৫ অনুষ্ঠানটো যোৱা ১৪ ফেব্ৰুৱাৰীৰ পৰা অনুষ্ঠিত হৈছে। আজি সামৰণি পৰিবলগীয়া এই অনুষ্ঠানত কেঁচা মালৰ পৰা আৰম্ভ কৰি বিভিন্ন আনুষংগিক সামগ্ৰী প্ৰদৰ্শন কৰা হৈছে। ভাৰত টেক্স মঞ্চ হৈছে বস্ত্ৰ উদ্যোগৰ আটাইতকৈ ডাঙৰ আৰু ব্যাপক অনুষ্ঠান।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে মৰিছাচ, মালদ্বীপ, নেপাল, ভূটান আৰু শ্ৰীলংকাৰ প্ৰতিপক্ষৰ সৈতে ওমানৰ ৰাজধানী মাস্কাটত অষ্টম ভাৰতীয় সাগৰ সন্মিলনত অংশগ্ৰহণ কৰে। এই সন্মিলনত ড° জয়শংকৰে মৰিছাচৰ প্ৰতিপক্ষ ড° ধনঞ্জয় ঋটিছ ৰামফুলৰ সৈতে হোৱা বৈঠকত দুয়োখন দেশৰ **বন্ধুত্বৰ বিশেষ বান্ধোন** আৰু অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰত গুৰুত্ব দিয়ে। এয়া আছিল শ্ৰীৰামফুলৰ সৈতে ড° জয়শংকৰৰ প্ৰথমখন বৈঠক। বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে এই বৈঠকতে মালদ্বীপৰ প্ৰতিপক্ষ আব্দুলা খলিলৰ সৈতে হোৱা বৈঠকৰ সময়ত ভাৰত-মালদ্বীপ সহযোগিতাৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰে। শ্ৰীলংকাৰ প্ৰতিপক্ষ বিজিতা হেৰাটৰ সৈতে হোৱা বৈঠকত ড° জয়শংকৰে দুয়োখন দেশৰ মাজত ব্যাপক সহযোগিতাৰ বিষয়ে আলোচনা কৰে। তেওঁ শ্ৰীলংকাৰ অৰ্থনীতিৰ পুনৰ উদ্ধাৰ আৰু উন্নতিৰ বাবে ভাৰতৰ দায়বদ্ধতাৰ কথাও প্ৰকাশ কৰে।

ওমান ভ্ৰমণৰ সময়ত ড° জয়শংকৰে ওমান, ব্ৰুনেই আৰু ইৰাণৰ প্ৰতিপক্ষকো সাক্ষাৎ কৰে। তেওঁ বাংলাদেশৰ বৈদেশিক পৰিক্ৰমা উপদেষ্টা মহম্মদ তুহিদ হুছেইনৰ সৈতেও এখন বৈঠকত মিলিত হয়। উল্লেখযোগ্য যে, ইণ্ডিয়া ফাউণ্ডেছনে ওমান বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সহযোগত মাস্কাটত কালি আৰু আজি অষ্টম ভাৰতীয় সাগৰ সন্মিলন আয়োজন কৰিছে।

০০০০০

দিল্লীত বি এছ্ এফৰ উদ্যোগত কাইলৈৰ পৰা অহা ২০ ফেব্ৰুৱাৰীলৈ সীমান্ত সুৰক্ষা বাহিনী আৰু বাংলাদেশৰ সীমান্তৰক্ষী বি জি বিৰ মাজত ৫৫ সংখ্যক সঞ্চালক পৰ্যায়ৰ সীমা সহযোগিতা সন্মিলন অনুষ্ঠিত হ'ব। এই সন্মিলনৰ সময়ত বি এছ্ এফৰ সঞ্চালক প্ৰধান দলজিৎ সিং চৌধাৰীৰ নেতৃত্বত ভাৰতৰ বি এছ্ এফৰ প্ৰতিনিধি দলে বি জি বিৰ সঞ্চালক প্ৰধান মেজৰ জেনেৰেল মহম্মদ আশ্ৰাফুজামানৰ চিদ্দিকিৰ নেতৃত্বত বি জি বিৰ প্ৰতিনিধি দলক সাক্ষাৎ কৰিব।

এই সন্মিলনত সীমান্ত সম্পৰ্কীয় বিষয়সমূহ আলোচনা কৰাৰ লগতে দুয়ো দেশৰ সীমান্তৰক্ষী বাহিনীৰ মাজত সহযোগিতা উন্নত কৰা বিষয়ত গুৰুত্ব প্ৰদান কৰা হ'ব। এই সন্মিলনতে বাংলাদেশৰ দুষ্কৃতিকাৰীয়ে বি এছ্ এফৰ জোৱান আৰু ভাৰতীয় নাগৰিকৰ ওপৰত কৰা আক্ৰমণ প্ৰতিৰোধ, সীমাৰ সিপাৰৰ অপৰাধ প্ৰতিৰোধৰ লগতে অন্যান্য বিষয়সমূহৰ ওপৰত আলোচনা কৰা হ'ব।

০০০০০

যাত্ৰীসকলৰ সুবিধাৰ অৰ্থে মহাকুম্ভ মেলাৰ সময়ত উত্তৰ ৰে'লৱে অতিৰিক্ত ভিৰ দূৰ কৰিবলৈ কালি ৪ খন নতুন বিশেষ যাত্ৰীবাহী ৰে'লৰ চলাচলৰ ব্যৱস্থা কৰে। উত্তৰ ৰে'লৱেৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া হিমাংশু শেখৰ উপাধ্যায়ে জনাই যে, ৪ খন ৰে'লৰ ভিতৰত এখন ৰে'ল আনন্দ বিহাৰ ৰে'লৱে ষ্টেচনৰ পৰা আৰু বাকী তিনিখন নতুন দিল্লী ৰে'ল ষ্টেচনৰ পৰা চলি আছে। তেওঁ লগতে কয়, যে এই ৰে'লসমূহৰ যাত্ৰাৰ সময় দৈনিক বিয়লি ৩ বজাৰ

পৰা নিশা ৯  বজাৰ ভিতৰত নিৰ্ধাৰণ কৰা হৈছে। আজিৰ পৰা মহাকুম্ভৰ যাত্ৰীসকলৰ সুবিধাৰ অৰ্থে আৰু ৫ খন বিশেষ ৰে'লৰ ব্যৱস্থা কৰা হৈছে।

আমাৰ সংবাদদাতাই জনোৱা মতে, নতুন দিল্লী ৰে'লৱে ষ্টেচনৰ পৰা প্ৰয়াগৰাজ জংচনলৈ ৰে'ল নম্বৰ- ০৪৪২০, ০৪৪২২ আৰু  ০৪৪১৮ নম্বৰৰ লগতে ০৪৪২৪ নম্বৰ ৰে'লখন আনন্দ বিহাৰ ৰে'লৱে ষ্টেচনৰ পৰা প্ৰয়াগৰাজ জংচনলৈ যাতায়ত কৰিছে।

০০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ বৰ্ডে অহা ২২ মাৰ্চৰ পৰা ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগীতা আৰম্ভ হব বুলি কালি ঘোষণা কৰে। আই পি এলৰ ১৮ সংখ্যক সংস্কৰণত ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ বিশ্বৰ আটাইতকৈ লাভজনক ব্যৱসায় ভিত্তিক টি-২০ ক্ৰিকেট প্ৰতিযোগিতা হিচাপে বিবেচিত হৈছে। অহা ২২ মাৰ্চত কলকাতাৰ প্ৰখ্যাত ইডেন গাৰ্ডেনছ ষ্টেডিয়ামত বৰ্তমানৰ চেম্পিয়ন কলকাতা নাইট ৰাইডাৰ্ছ আৰু ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ মাজত আৰম্ভণি মেচখন অনুষ্ঠিত হব। দ্বিতীয় মেচখন চানৰাইজাৰ্ছ হাইদৰাবাদ আৰু ৰাজস্থান ৰয়েলচৰ মাজত অহা ২৩ মাৰ্চত অনুষ্ঠিত হব। দেওবাৰে দুপৰীয়া হবলগীয়া মেচখন হায়দৰাবাদৰ উপ্পালৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত হব। এইবাৰৰ আই পি এলতো যোৱাবছৰৰ দৰেই মুঠ ১০টা দলে খিতাপ দখলৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিব। দলসমূহক পাঁচটাকৈ দুটা ভাগত ভাগ কৰা হৈছে। চেন্নাই ছুপাৰ কিংছ, ৰয়েল চেলেঞ্জাৰছ বেংগালুৰু , ৰাজস্থান ৰয়েলছ, পঞ্জাব কিংছ আৰু কলকাতা নাইট ৰাইডাৰ্ছক গ্ৰুপ Aত অন্তৰ্ভুক্ত কৰা হৈছে। আনফালে মুম্বাই ইণ্ডিয়ানছ, গুজৰাট টাইটানছ, দিল্লী কেপিটেলছ, ছানৰাইজাৰ্ছ হায়দৰাবাদ আৰু লক্ষ্ণৌ ছুপাৰ জায়েন্টছক গ্ৰুপ Bত অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০

ক্ৰিকেটৰ মহিলা প্ৰিমিয়াৰ লীগ ২০২৫ সংস্কৰণত কালি নিশা বাডোদৰাৰ কোটাম্বি ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত গুজৰাট জায়েন্টছে দ্বিতীয়খন খেলত ইউ পি ৱাৰিয়ৰ্জক ৬ উইকেটত পৰাস্ত কৰে। গুজৰাট জায়েণ্টছে ১৮ অভাৰত ৬টা উইকেটৰ বিনিময়ত ১৪৪ ৰানৰ লক্ষ্যত উপনীত হবলৈ সমৰ্থ হয়। খেলখনত অধিনায়ক এছলি গাৰ্ডনাৰে ৫২ ৰান সংগ্ৰহ কৰে। এছলি গাৰ্ডনাৰক খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান প্ৰদান কৰা হয়। ডিএণ্ড্ৰা ডটিনে অপৰাজিত ৩৩ ৰান আৰু হাৰ্লিন ডিওলে ৩৪ ৰান সংগ্ৰহ কৰে। ইয়াৰ পূৰ্বে গুজৰাট জায়েণ্টছে টছত জয়লাভ কৰি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লৈছিল। প্ৰথমে বেটিং কৰি ইউ পি ৱাৰিয়ৰ্জে নিৰ্ধাৰিত বিশ অভাৰত ৯ চা উইকেটৰ বিনিময়ত ১৪৩ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ দীপ্তী শৰ্মাই ৩৯ ৰান আৰু উমা চেত্ৰীয়ে ২৭টা বলত ২৪ ৰান সংগ্ৰহ কৰে।প্ৰিয়া মিশ্ৰই খেলখনত তিনিটা উইকেট দখল কৰে। অধিনায়ক এছলি গাৰ্ডনাৰ আৰু ডিয়াণ্ড্ৰা ডটিনে দুটাকৈ উইকেট দখল কৰাৰ লগতে কাশ্বৰী গৌতমে এটা উইকেট দখল কৰে। গুজৰাট জায়েন্টছৰ দুয়োগৰাকী অ'পেনাৰে উইকেট হেৰুওৱাই। উল্লেখযোগ্য যে এয়া আছিল এইবাৰৰ

সংস্কৰণত ইউ পি ৱাৰিয়ৰ্জৰ প্ৰথমখন খেল। আজি বদোদৰাৰ কোটাম্বি ষ্টেডিয়ামত দিল্লী কেপিটেলছে ৰয়েল চেলেঞ্জাৰছ বেংগালুৰুৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া ৭ বাজি ৩০ মিনিটত আৰম্ভ হ'ব।

ooooo

এফ আই এইচ প্ৰ' হকী লীগৰ ২০২৪-২০২৫ত কালি ভাৰতৰ পুৰুষ দলটোৱে ভূবনেশ্বৰত অনুষ্ঠিত এখন খেলত স্পেইনক ২-০ গ'লত পৰাস্ত কৰে। মনদ্বীপে প্ৰথমটো গল আৰু দিলপ্ৰীতে দ্বিতীয়টো গল দি বিজয়ৰ পথ প্ৰশস্ত কৰে। ইয়াৰ পূৰ্বে ইংলেণ্ডৰ মহিলা দলটোৱে ভাৰতৰ বিৰুদ্ধে দ্বিতীয়খন খেলত জয়লাভ কৰি পইন্ট তালিকাত গুৰুত্বপূৰ্ণ বিবেচিত দুই পইণ্ট সংযোজন কৰিবলৈ সমৰ্থ হয়। অহা ১৮ ফেব্ৰুৱাৰীত ভাৰতীয় মহিলা দলটোৱে পুনৰ আন এখন খেলত স্পেইনৰ মুখামুখি হ'ব।

ooooo

স্কোৱাছত কালি হংকং স্কোলাছ কেন্দ্ৰত অনুষ্ঠিত এছিয়ান জুনিয়ৰ টিম চেম্পিয়নশ্বিপ ২০২৫ত ভাৰতীয় পুৰুষ আৰু মহিলা দল দুটাই ব্ৰঞ্জৰ পদক লাভ কৰে। মালয়েছিয়াৰ বিৰুদ্ধে ভাৰতীয় পুৰুষৰ দলটোৱে ছেমি ফাইনেলত পৰাস্ত হোৱাৰ বিপৰীতে অনাহাট সিঙৰ নেতৃত্বত মহিলা দলটোৱে আয়োজক হংকঙৰ হাতত পৰাস্ত হয়। উল্লেখযোগ্য যে এছিয়ান জুনিয়ৰ টিম স্কোয়াছ চেম্পিয়নশ্বিপত পৰাজিত ছেমি ফাইনেলিষ্ট দলটোক ব্ৰঞ্জৰ পদক প্ৰদান কৰা হয়। ১৯৮৩ চনত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱা এছিয়ান জুনিয়ৰ টিম চেম্পিয়নশ্বিপৰ এয়া আছিল ২২ সংখ্যক সংস্কৰণ। ২০১১ আৰু ২০১৭ চনত চেম্পিয়ন হোৱা ভাৰতৰ পুৰুষ দলটোৱে বৰ্তমানলৈ দুটা সোণ, ছটা ৰূপ, ১১টা ব্ৰঞ্জসহ মুঠ ১৯টা পদক লাভ কৰিছে। ইফালে, ২০০৩ আৰু ২০১৩ চনত বিজয়ী হোৱা ভাৰতীয় মহিলা দলটোৱে এই প্ৰতিযোগীতাত দুটা সোণ, দুটা ৰূপ আৰু আঠটা ব্ৰঞ্জসহ এতিয়ালৈ মুঠ ১২টা পদক লাভ কৰিছে।

ooooo

**সমাপ্ত**